DAILY ASSAM

## ১০। দৃঢ়তাবাচক প্ৰত্যয়
## (Emphatic Suffixes)

১০ ঃ ১ নাম শব্দ বা ক্ৰিয়া পদৰ পিছত দৃঢ় ভাব বুজাবলৈ কিছুমান চিন বা প্ৰত্যয় ব্যৱহাৰ হয়, সেইবোৰেই দৃঢ়তাবাচক প্ৰত্যয় (Emphatic Suffixes)। বাক্যৰ অব্যয় পদৰ বাহিৰে সকলো পদৰ পিছত জোৰ বা নিশ্চয়তা বুজাবলৈ ব্যৱহাৰ হয়। যথা,

(১) ই ঃ সি কালিলৈ যাবই। সি ব্যাকৰণ শিকিবই।

(২) এ ঃ সি কামটো কৰিছে। ৰাম কালিয়ে গৈছে।

(৩) এই ঃ ৰামেই মাথোন ব্যাকৰণ শিকিছে। তায়েই কথাটো জানে। ময়েই তাক কৈছিলোঁ। কথাটো জানোৱেই।

(৪) হে ঃ সিহে মোক মাৰিছে। তাইহে ব্যাকৰণ জানে। জিকাটো তিতাহে পালোঁ। মই ব্যাকৰণহে ভালকৈ জানো।

(৫) কে ঃ কাইলৈকে যাম। আজিলৈকে নাহিল।

(৬) তো ঃ সি ব্যাকৰণ শিকিবতো। মই এইবোৰতো জানোৱেই। তাইতো তেনে কাম নকৰে।